**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 15-06-2026**
**Time :** 21-25 Hrs

## ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই চৰকাৰী চাকৰি অথবা পেঞ্চন লাভ নকৰা মুক্তিযুঁজাৰুসকলৰ পৰিয়ালবৰ্গলৈ ৰাজ্য চৰকাৰে সহায় আগবঢ়াব বুলি আশ্বাস প্ৰদান কৰে। কুশল কোঁৱৰৰ স্মৃতি দিৱস উপলক্ষে অসম মুক্তি যুঁজাৰু সন্মিলনৰ উদ্যোগত আৰু ৰাজ্য চৰকাৰৰ সহযোগত আজি গুৱাহাটীৰ ৰূপনগৰৰ স্বতন্ত্ৰ সেনানী ভৱনত শ্বহীদ কুশল কোঁৱৰৰ স্মৃতি অনুষ্ঠানত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে এই আশ্বাস দিয়ে। তেওঁ কয় যে শ্বহীদসকলৰ শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সহায় আগবঢ়োৱাৰ বিষয়টো লৈ নিৰন্তৰ আলোচনা অব্যাহত আছে।

০০০

ৰাজ্যৰ চাৰিবিধ সাংস্কৃতিক আৰু কাৰুশিল্পজাত সামগ্ৰীয়ে GI TAG অৰ্থাৎ ভৌগোলিক সূচ্যাংক লাভ কৰিছে। শেহতীয়াকৈ ভৌগোলিক সূচক পঞ্জীয়ে ম'হৰ শিঙৰ পেঁপা, বাঁহ শিল্প, কাৰ্বি আংলঙৰ হস্ততাঁত শিল্প আৰু দেউৰী সম্প্ৰদায়ৰ হস্ততাঁত শিল্পক স্বীকৃতি প্ৰদান কৰিছে। ইয়াৰ লগে লগে ৰাজ্যৰ থলুৱা কাৰুশিল্প আৰু সাংস্কৃতিক পৰিচয়ৰ বৈচিত্ৰ্যপূৰ্ণ দিশসমূহ উদ্ভাসিত হোৱাত সহায়ক হৈ পৰিব। নতুনকৈ ভৌগোলিক সূচ্যাংক লাভ কৰা এই চাৰিবিধ সামগ্ৰীয়ে জনজাতীয় ঐতিহ্য, সংগীত বিজ্ঞান আৰু প্ৰাকৃতিক সম্পদৰ কাৰুশিল্পৰ বৰ্ণাঢ্য দিশ সামৰি লৈছে। এই স্বীকৃতিলাভৰ প্ৰক্ৰিয়াত ৰাষ্ট্ৰীয় কৃষি আৰু গ্ৰামোন্নয়ন বেংক নাবাৰ্ডৰ অসম শাখাই সহায় কৰিছে। নাবাৰ্ডৰ অসম শাখাৰ মুখ্য প্ৰবন্ধক লোকেন দাসে এই সন্দৰ্ভত সংবাদ মাধ্যমৰ আগত কয়, যে ঐতিহ্য সংৰক্ষণৰ গুৰুত্বৰ লগতে কাৰুশিল্পীসকলৰ অৰ্থনৈতিক বহনক্ষমতা নিশ্চিত কৰাৰ বাবে নাবাৰ্ডে ভৌগোলিক সূচাংক প্ৰমাণ পত্ৰ লাভ প্ৰক্ৰিয়াক সক্ৰিয়ভাৱে সমৰ্থন যোগাই আহিছে। এই স্বীকৃতিয়ে সামগ্ৰীসমূহৰ পৰিচয় আৰু নিৰ্ভৰযোগ্যতাক সুদৃঢ় কৰাই নহয়, বৰং ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত ইয়াৰ বজাৰ লাভৰ সম্ভাৱনা বৃদ্ধি কৰিব বুলি নাবাৰ্ডৰ অসম শাখাৰ মুখ্য প্ৰবন্ধকগৰাকীয়ে প্ৰকাশ কৰে। উল্লেখযোগ্য যে নাবাৰ্ডৰ সহযোগত অসমৰ ভৌগোলিক সূচ্যাংক লাভ কৰা সামগ্ৰীৰ সংখ্যা ১২ লৈ বৃদ্ধি পালে। এই স্বীকৃতি পোৱাৰ ফলত এনে সামগ্ৰীসমূহৰ বিনা অনুমতিত অনুকৰণ আৰু অপব্যৱহাৰৰ বিৰুদ্ধে আইনী সুৰক্ষা লাভ কৰিব। ০০০০

০০০

ৰাজ্যৰ বিত্ত মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই আজি গুৱাহাটীৰ কৰ ভৱনত আয়োজিত এখন পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰে। এই বৈঠকত নিয়মিত কৰদাতাসকলৰ অসুবিধা নোহোৱাকৈ উন্নত প্ৰযুক্তি আৰু প্ৰশাসনিক দক্ষতাৰ জৰিয়তে ৰাজহ সংগ্ৰহ বৃদ্ধি কৰাৰ কৌশল সন্দৰ্ভত আলোচনা কৰে। বৈঠকত বিভিন্ন ঠাইৰ কৰ বিভাগৰ জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে। ০

০০০

ৰাজ্যৰ ভিন্ন প্ৰান্তত জিলা প্ৰশাসনসমূহে অবৈধ দখলকাৰীৰ বিৰুদ্ধে উচ্ছেদ অভিযান অব্যাহত ৰাখিছে। ডিব্ৰুগড় জিলা প্ৰশাসনে আজি ব্ৰহ্মপুত্ৰৰ পাৰত অবৈধভাৱে ঘৰ সাজি বাস কৰি থকা কেইবাটাও পৰিয়ালৰ বাসগৃহত উচ্ছেদ চলায়। এই অভিযানৰ ফলত অঞ্চলবোৰত সঘনাই সংঘটিত হৈ থকা অসামাজিক কাৰ্যকলাপ আৰু মাদকদ্ৰব্যৰ প্ৰচলন ৰোধ হ'ব বুলি স্থানীয় লোকসকলে আশা প্ৰকাশ কৰিছে।

গুৱাহাটী মহানগৰীৰ বৰঝাৰ বিমানবন্দৰৰ সমীপতো আজি জিলা প্ৰশাসনে উচ্ছেদ অভিযান চলায়। প্ৰশাসনে চৰকাৰী ভূমিত অবৈধভাৱে গঢ়ি উঠা প্ৰায় ৫০খন ব্যৱসায়িক প্ৰতিষ্ঠান উচ্ছেদ কৰে।০০০০০০

০০০

ৰাজ্যৰ লোকনিৰ্মাণ বিভাগৰ জৰিয়তে মুখ্যমন্ত্ৰীৰ উন্নত পকীপথ নিৰ্মাণ আঁচনিৰ অধীনত বৰপেটা সমষ্টিত বিধায়ক দীপক কুমাৰ দাসে আজি ১৭ টা পথৰ নিৰ্মাণকাৰ্যৰ শুভাৰম্ভ কৰে। ইয়াৰে প্ৰথম কাৰ্যসূচী হিচাপে তেওঁ বৰপেটা চহৰৰ ৰাখালথান আৰু ৰামৰায় ষ্টেডিয়াম সংযোগী দুটা পথৰ নিৰ্মাণকাৰ্য উদ্বোধন কৰে। এই ১৭ টা পথৰ নিৰ্মাণৰ বাবে সৰ্বমুঠ ৮ কোটি ৬০ লাখ টকা ধাৰ্য কৰা হৈছে। পথবোৰৰ নিৰ্মাণ কাৰ্য অহা ডিচেম্বৰৰ ভিতৰত সম্পূৰ্ণ হ'ব বুলি বিধায়কগৰাকীয়ে প্ৰকাশ কৰে।

০০০

অসম প্ৰশাসনিক সেৱাৰ বিষয়া দামোদৰ বৰ্মনে আজি অসম কৃষি বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক হিচাপে যোগদান কৰে। বিশ্ববিদ্যালয়খনৰ উপাচাৰ্যৰ সভাগৃহত আয়োজিত এটি অনুষ্ঠানত উপাচাৰ্যসহ বিশ্ববিদ্যালয় কৰ্তৃপক্ষই পঞ্জীয়কগৰাকীক শুভেচ্ছা জনায়।

০০০

শোণিতপুৰ জিলা আৰু ছেছন আদালতে আজি দুটা গোচৰৰ গুৰুত্বপূৰ্ণ ৰায়দান কৰে। ন্যায়াধীশ কৌশিক হাজৰিকাই মিলন কৰ্মকাৰ নামৰ এজন লোকক হত্যাৰ গোচৰত যাৱজ্জীৱন কাৰাদণ্ডৰে দণ্ডিত কৰে। আনহাতে, ধৰ্ষণৰ গোচৰত জিতেন কুমাৰক ৪ বছৰ সশ্ৰম কাৰাদণ্ড বিহে।

০০০০

বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াই আজি শিৱসাগৰত চৰাইদেউ আৰু শিৱসাগৰ জিলা বিজেপিৰ বিশেষ সাংগঠনিক সভাত অংশগ্ৰহণ কৰি দলৰ ভৱিষ্যৎ কাৰ্যসূচীৰ ৰূপৰেখা দাঙি ধৰে। নিৰ্বাচনত লাভ কৰা জনাদেশৰ প্ৰতি লক্ষ্য ৰাখি ৰাজ্যিকৰ পৰা বুথ পৰ্যায়লৈকে কাৰ্যকৰ্তা সকলোৰে সৈতে মত বিনিময় কৰা হৈছে বুলি তেওঁ সভাত প্ৰকাশ কৰে। দলীয় কাৰ্যকৰ্তাসকলক অধিক সক্ৰিয় কৰাৰ উদ্দেশ্যে দলটোৱে মণ্ডল আৰু জিলা পৰ্যায়ত প্ৰশিক্ষণৰ ব্যৱস্থা কৰিব বুলি তেওঁ কয়। সাংগঠনিক সভাৰ পাছত ৰাজ্যিক সভাপতিগৰাকীয়ে শিৱসাগৰ নগৰৰ কালিপ্ৰসাদ সোঁৱৰণী সভাগৃহত এখন সংবাদমেল সম্বোধন কৰে। প্ৰধানমন্ত্ৰী মোদীৰ ১২ বছৰীয়া কাৰ্যকাল উপলক্ষে ১০ জুলাইৰ পৰা এলানি কাৰ্যসূচী গ্ৰহণ কৰা হ'ব বুলি তেওঁ সংবাদমেলত প্ৰকাশ কৰে। এই কাৰ্যসূচীসমূহৰ ভিতৰত গছপুলি ৰোপণ, যোগ দিৱস পালন আৰু ৰাইজৰ সৈতে ব্যাপক সংযোগ অভিযান অন্তৰ্ভুক্ত হ'ব বুলি তেওঁ কয়।

০০০০

ঃঃ সমাপ্ত ঃঃ